# 2019

# ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×৭=৭

(ক) মাধৱদেৱে পৰামৰ্শ দিয়াৰ আগলৈকে কালিন্দী আয়ে শঙ্কৰদেৱক কি বুলি সম্বোধন কৰিছিল?

(খ) 'সংক্ষেপে কৃষ্ণলীলা' পাঠত শ্ৰীকৃষ্ণক গীত-বাদ্যৰে কোনে উপাসনা কৰিছিল?

(গ) বিধাতাৰ বৰত, কানিৰ গুণত অসমীয়াৰ ঘৰে ঘৰে কি থকা বুলি লম্বোদৰ বৰাই কৈছে?

(ঘ) 'পৃথিৱীৰ মঙ্গলময়া' বুলি কাৰ বিষয়ে কোৱা হৈছে?

(ঙ) 'নামঘোষা'ত কিমান পদ আছে?

(চ) কন্দৰ্পেশ্বৰ সিংহক ক'ৰ জেলত বন্দী কৰি ৰখা হৈছিল?

(ছ) "একোখনি গ্ৰন্থ একোগৰাকী মনীষীৰ মূল্যবান জীৱনৰ জীৱনী-স্বৰূপ।" কথাষাৰ কোনে কৈছিল?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) মাধৱদেৱে শঙ্কৰদেৱক দুবাৰ সেৱা কৰাৰ কাৰণ উল্লেখ কৰা।

(খ) 'কথা-ভাগৱত'ৰ চমু পৰিচয় দিয়া।

(গ) সদানন্দই বিভিন্ন অজুহাতত পইচা নিদিয়াকৈ ৰখা দুখন বাতৰি কাকতৰ নাম লিখা।

(ঘ) ড০ কাকতিয়ে 'নামঘোষা'ৰ প্ৰতিপাদ্য বিষয় কোনফাকি পদৰ মাজেৰে সংক্ষেপে প্ৰতিফলিত হোৱা বুলি কৈছে?

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) ভিতৰ সোমাই গৈ দেখে এফালে পতিলা ঃ এচুকে ভিটি বান্ধি ঘট পাতি আমডালি, আঁৰা সূতা থৈছে ঃ

(খ) শুকে কহন্ত ঃ এমনে পত্নীসৱে শ্ৰীকৃষ্ণত ভক্তি কৰি বৈষ্ণৱী গতি পাইলা।

(গ) ... নগাঁৱৰ ক্ৰুহী লোকে পানীৰ তলৰ কাঁইট দেখিব নোৱাৰি, তাত ভৰি দিলতে এতিয়া ফুটি মৰিছে, লোকলৈ বুলি হুল পাতি সিহঁত আপুনিয়েই তাত পৰিল।

(ঘ) সিহঁতৰ মতে মধুৰ মাধুৰী মিছা, ফুলৰ লাৱণ্য মিছা, মলয়াৰ স্নিগ্ধতা ফাকি, পুত্ৰ-কন্যা ফাং, লাসবেশ বলিয়ালি আৰু আনন্দ-উৎসৱ উদ্ভণ্ডালি মাথোন।

(ঙ) ডাঙৰ জাতীয়তা অবিহনে ডাঙৰ সাহিত্য সম্ভৱ নহয়।





৪। (ক) পাঠ্যপুথিৰ অন্তৰ্গত নিৰ্বাচিত পাঠৰ আধাৰত 'কথাগুৰু চৰিত'ৰ গদ্যৰীতি সম্বন্ধে আলোচনা কৰা। ১০

*অথবা*

(খ) বাতৰি কাকতৰ সম্পাদকসকলে তাগিদা দি থকাৰ পাছতো সদানন্দই কাকত-আলোচনীত নিলিখাৰ কাৰণ কি কি বুলি কৈছে, 'সদানন্দৰ কলা ঘুমটি' পাঠটিৰ আধাৰত আলোচনা কৰা।

৫। (ক) 'নামঘোষা'ৰ মাজেৰে প্ৰবাহিত হোৱা প্ৰধান ভাবৰ ধাৰাসমূহৰ পৰিচয় দিয়া। ১০

*অথবা*

(খ) সত্যনাথ বৰাই মানুহৰ স্বভাৱ সম্বন্ধে যি বিশ্লেষণ আগবঢ়াইছে, তাৰ চমু পৰিচয় দিয়া।

৬। (ক) মণিৰাম দেৱানক ফাঁচী দিয়াৰ প্ৰস্তুতি সম্বন্ধে 'মণিৰাম দেৱানৰ ফাঁচী' শীৰ্ষক প্ৰবন্ধৰ আধাৰত এটি বৰ্ণনা দাঙি ধৰা। ১০

*অথবা*

(খ) সাহিত্য আৰু আৰ্টৰ সম্বন্ধ বিশ্লেষণ কৰি এটি প্ৰবন্ধ যুগুত কৰা।

★★★